# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-11-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

**- - - - - - - - - - - - - - -**

১। ৰাজনৈতিক পৃষ্ঠপোষকতা নথকা পৰিয়ালৰ যুৱক-যুৱতীসকলক ৰাজনীতিত যোগদান কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠানত আহ্বান।

২। গুৱাহাটীত ২৪ ফেব্ৰুৱাৰীৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ আয়োজন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই বিনিয়োগ সন্মিলন উদ্বোধন।

৩। ৰাজ্যজুৰি বৰ্ণাঢ্য কাৰ্যসূচীৰে বীৰ লাচিত দিৱস উদযাপন। ডিব্ৰুগড়ৰ মৰাণত লাচিত দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী।

৪। আই পি এলৰ খেলুৱৈ নিলামত ভাৰতৰ উইকেটৰক্ষক বেটাৰ ঋষভ পণ্টক লক্ষৌ ছুপাৰ জায়েণ্টৰ সৰ্বাধিক ২৭ কোটি টকাত ক্ৰয়।

**আৰু**

৫। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাৰ্থ টেষ্টত ভাৰতৰ জয়ৰ সম্ভাৱনা সজীৱ। যশস্বী জয়ছৱাল আৰু বিৰাট কোহলীৰ দৰ্শনীয় শতক।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজনৈতিক পৃষ্ঠভূমি নথকা পৰিয়ালৰ যুৱক-যুৱতীসকলক ৰাজনীতিত যোগদান কৰিবলৈ আহ্বান জনাইছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি আজি ৰাষ্ট্ৰক উদ্দেশ্য দিয়া ভাষণত শ্ৰীমোদীয়ে এইদৰে আহ্বান জনায়। তেওঁ অহা কেইটামান মাহত একলাখ এনে যুৱক-যুৱতীক ৰাজনীতিৰ সৈতে সংযুক্ত কৰাৰ বাবে ভালেসংখ্যক বিশেষ অভিযান চলোৱা হ'ব বুলিও ঘোষণা কৰে। শ্ৰীমোদীয়ে লগতে অহা বছৰ স্বামী বিবেকানন্দৰ ১৬২ সংখ্যক জন্মবাৰ্ষিকীৰ দিনা দিল্লীত বিকশিত ভাৰত যুৱ নেতাসকলৰ আলোচনা অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে।

তেওঁ কয় যে, মাতৃৰ নামত এজোপা গছ অভিযানৰ অধীনত মাত্ৰ ৫ মাহৰ ভিতৰত ১০০ কোটি গছপুলি ৰোপণৰ গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি অতিক্ৰম কৰা হৈছে। তেওঁ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে এই অভিযানত অংশগ্ৰহণ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰে।

পৰিস্কাৰ পৰিচ্ছন্নতা সন্দৰ্ভত শ্ৰীমোদীয়ে কয় যে চৰকাৰী কাৰ্যলয়ৰ দশক-দশক পুৰণি ফাইল আৰু ব্যৱহাৰ নোহোৱা পুৰণি সামগ্ৰী আঁতৰ কৰাৰ বাবে বিশেষ পৰিস্কাৰ পৰিচ্ছন্নতা অভিযান আৰম্ভ কৰা হৈছে। তেওঁ কয় যে চৰকাৰী বিভাগসমূহত এই আঁচনি ফলদায়ক ৰূপে পৰিগণিত হৈছে আৰু কাৰ্যালয়সমূহত যথেষ্ঠ ঠাই ওলাইছে। ভাৰতত আৱৰ্জনাৰ পৰা সম্পদ প্ৰাচীন অৱধাৰণা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে আৱৰ্জনাক সম্পদলৈ ৰূপান্তৰ কৰা আৰু বহনক্ষম জীৱন শৈলীৰ প্ৰসাৰৰ বাবে কাম কৰা একাংশ যুৱক-যুৱতীৰ উদাহৰণ দিয়ে।

এই প্ৰসংগত ঈতিশাৰ উদাহৰণ দি শ্ৰীমোদীয়ে কয় যে যুৱতীগৰাকীয়ে কৰ্পৰেট জগতৰ জাকজমকতা ত্যাগ কৰি অৰুণাচল প্ৰদেশৰ ছংতি উপত্যকাৰ পৰিস্কাৰ-পৰিচ্ছনতাৰ কামত নিজকে উৎসৰ্গা কৰিছে। উপত্যকাটোত পৰ্যটকৰ বাবে ভালেখিনি প্লাষ্টিক আৱৰ্জনা গোট খাইছিল আৰু এই আৱৰ্জনাৰ বাবে উপত্যকাটোৰ নদ-নদীসমূহ প্ৰদূষিত হৈ পৰিছিল।

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী -এনচিচি দিৱস উপলক্ষে শ্ৰীমোদীয়ে শিক্ষাৰ্থীৰ বাহিনীৰ সদস্য হৈ থকা সময়চোৱাৰ কথা স্মৰণ কৰে। তেওঁ কয় যে এন চি চিয়ে যুৱ প্ৰজন্মৰ মাজত অনুশাসন, নেতৃত্ব আৰু সেৱাৰ মনোভাৱ যোগাই তোলে। সম্প্ৰতি ২০ লাখৰো অধিক যুৱক-যুৱতী বাহিনীটোৰ সৈতে জড়িত হৈ আছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে আকাশবাণী গুৱাহাটীযোগে মন কী বাতৰ অসমীয়া ভাষান্তৰ পুনৰ প্ৰচাৰ নিশা ৮ বজাত শ্ৰোতা সকলে শুনিবলৈ পাব।

oooooo

গুৱাহাটীত অহা বছৰৰ ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ অনুষ্ঠিত হ'ব। দিছপুৰত আজি অনুষ্ঠিত সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰি লগতে কয় যে দুদিনীয়া বিনিয়োগ সন্মিলনখন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিব। বিনিয়োগ আৰু আন্তঃগাঁথনিত গুৰুত্ব আৰোপ কৰি হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত পথ পৰিবহণ, কৃষি, ঔদ্যোগিক, ৰেলৱে, হাইড্ৰকাৰ্বন উদ্যোগ, অসামৰিক বিমান সেৱা, নৱীকৃত আন্তগাঁথনি সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। ৰাজ্যখনত বিনিয়োগকাৰীক আকৰ্ষিত কৰিবৰ বাবে ৰাজ্য চৰকাৰে এই পদক্ষেপ লোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে

সংবাদমেলত প্ৰকাশ কৰে। তেওঁ লগতে কয় যে এডভাণ্টেজ আছাম কাৰ্যসূচীৰ প্ৰথম দিনা মেগা ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰা হব। সৰুসজাই ষ্টেডিয়ামত হবলগীয়া এই ঝুমুৰ নৃত্যত ৮০০ খন বাগিছাৰ ৭ হাজাৰ ৫০০ গৰাকী নৃত্যশিল্পীয়ে অংশগ্ৰহণ কৰিব।

**ঃবাইট-মুখ্যমন্ত্ৰীঃ**

সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে বিনিয়োগকাৰীক আকৰ্ষিত কৰিবলৈ ৰাজ্য চৰকাৰৰ তিনিটা প্ৰতিনিধি দলে পাঁচখন দেশ ভ্ৰমণ কৰিব। তেওঁ কয় যে প্ৰথমটো প্ৰতিনিধি দলে ছিংগাপুৰ আৰু জাপান, দ্বিতীয়টো দলে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু তৃতীয়টো দলে ইংলেণ্ড ভ্ৰমণ কৰিব। তিনিটা দলৰ যিকোনো এটা দলে ডুবাই ভ্ৰমণ কৰিব বুলিও তেওঁ প্ৰকাশ কৰে। আন এটা প্ৰতিনিধি দলে ভূটান ভ্ৰমণ কৰিব বুলি লগতে তেওঁ জানিবলৈ দিয়ে।

০০০০০০

অহা বছৰৰ ১৩ ফেব্ৰুৱাৰীৰ পূৰ্বে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। দিছপুৰত আজি অনুষ্ঠিত সংবাদ মেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে জানুৱাৰীত পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰা হ'ব। দুটা পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

ইপিনে, অসম বিধানসভাৰ বাজেট অধিবেশনৰ এটা দিনৰ কাৰ্যক্ৰমণিকা কোকৰাঝাৰত অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্যপালৰ অভিভাষণ বা বিত্ত মন্ত্ৰীৰ বাজেট ভাষণ কোকৰাঝাৰত অনুষ্ঠিত কৰাৰ চিন্তা-চৰ্চা কৰা হৈছে।

০০০০০০

বীৰ লাচিত বৰফুকনৰ ৪০২ বছৰীয়া জয়ন্তী উপলক্ষে আজি বীৰগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নতুন দিল্লীত থকা চৰকাৰী বাসভৱনত আজি এই দিৱস উপলক্ষে অনুষ্ঠানৰ আয়োজন কৰা হয়। শ্ৰী সোণোৱালে এই কাৰ্যসূচীত অংশ লৈ কয় যে দেশৰ ইতিহাসৰ এগৰাকী প্ৰবাদ প্ৰতীম মহাবীৰ লাচিত বৰফুকনৰ শৌৰ্য বীৰ্য, অদম্য শক্তি, সাহস আৰু বীৰত্বৰ কাহিনীয়ে দেশবাসীক অনুপ্ৰেৰণা যোগাই আহিছে। শক্তিশালী, সমৃদ্ধিশালী, আত্মনিৰ্ভৰ আৰু বিকশিত ভাৰত গঢ়াৰ দিশত লাচিত বৰফুকনৰ স্বদেশ-স্বজাতিৰ প্ৰতি থকা অতুলনীয় দায়বদ্ধতা জনসাধাৰণৰ বাবে আদৰ্শ হৈ ৰব বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ সদস্য সঞ্জীৱ সান্যালৰ উপৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়া সকল উপস্থিত থাকে।

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ডিব্ৰুগড় জিলা প্ৰশাসন, আহোম জাতীয় গণ মঞ্চ আৰু বৃহত্তৰ পথালিবাম অঞ্চলৰ ৰাইজৰ সহযোগত পথালিবামত কেন্দ্ৰীয়ভাৱে লাচিত দিৱসৰ আয়োজন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগত সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰ পাছতে সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা আৰু ৰামেশ্বৰ তেলীয়ে বীৰ গৰাকীৰ প্ৰতিচ্ছবিত মাল্যৰ্পন আৰু বন্তি প্ৰজ্বলন কৰে। এই কাৰ্যসূচীত মন্ত্ৰী বিমল বৰা আৰু যোগেন মহনৰ উপৰি কেইবাগৰাকীও বিধায়ক আৰু অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠান সন্দৰ্ভত এয়া আমাৰ চৰাইদেউৰ সংবাদদাতা নবুল কোঁৱৰ

**-ভইচ-**

যোৰহাটৰ হোলোঙাপাৰত থকা লাচিত বৰফুকনৰ মৈদামত আজি বীৰ গৰাকীৰ জয়ন্তী উপলক্ষে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত জিলা প্ৰশাসনৰ বিষয়ববীয়া সকলে বীৰ গৰাকীক স্মৰণ কৰে। শিৱসাগৰতো আজি বিস্তৃত কাৰ্যসূচীৰে লাচিত দিৱস উদযাপন কৰা হয়। বীৰ গৰাকীৰ জন্মস্থান শিৱসাগৰ জিলাৰ হাঁহচৰা শুকতি আলিত আজি লাচিত বৰফুকন জন্মস্থান সংৰক্ষণ সমিতিৰ উদ্যোগত এই দিৱস উদযাপন কৰা হয়। এই উপলক্ষে পৰিৱেশ নিকাকৰণ, পতাকা উত্তোলন, স্মৃতি তৰ্পন আৰু ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। জিলাখনৰ ৰংপুৰ প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতি, লাচিত সেনা, টাই আহোম যুৱ পৰিষদ, হিন্দু জাগৰণ অসম আদি সংগঠনেও এই দিৱস পালন কৰে।

মৰিগাওঁ চহৰৰ ক্ষীৰোদ বৰুৱা ষ্টেডিয়াম প্ৰাঙ্গনত লাচিত দিৱস উপলক্ষে সংগীতানুস্থান আৰু মুকলি সভাৰ আয়োজন কৰা হয়। শুৱালকুছিৰ বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগ আৰু ইতিহাস বিভাগৰ যৌথ উদ্যোগত আজি লাচিত দিৱসৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ নিহাৰ ৰঞ্জন কলিতা আৰু উপাধ্যক্ষ ড০ যোগেশ ডেকাৰ লগতে কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

০০০০০০

কাইলৈৰ পৰা হ'বলগীয়া সংসদৰ শীতকালীন অধিৱেশনত যিকোনো বিষয় আলোচনা কৰিবলৈ চৰকাৰ সাজু বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত সৰ্বদলীয় বৈঠকৰ পাছত সংবাদমাধ্যমৰ সৈতে মত বিনিময় কৰি শ্ৰী ৰিজিজুৱে অধিৱেশৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে অব্যাহত থকাতো সুনিশ্চিত কৰিবলৈ বিৰোধী দলসমূহলৈ আহ্বান জনায়। কংগ্ৰেছৰ সাংসদ প্ৰমোদ তিৱাৰীয়ে কয়, যে দলটোৱে মণিপুৰৰ পৰিস্থিতি, নিবনুৱা সমস্যা, উত্তৰ-ভাৰতৰ প্ৰদূষণ তথা এগৰাকী উদ্যোগপতিৰ ওপৰত উত্থাপিত অভিযোগ সন্দৰ্ভত আলোচনা কৰাৰ পোষকতা কৰিছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সৰ্বদলীয় বৈঠকত অধ্যক্ষতা কৰে। কেন্দ্ৰীয় মন্ত্ৰী অনুপ্ৰিয়া পেটেল, এল মুৰুগান, বিজেডিৰ সাংসদ শছমীত পাত্ৰ, সমাজবাদী পাৰ্টীৰ সাংসদ ৰামগোপাল যাদৱ, এম ডি এম কেৰ সাংসদ ৱাইক', কংগ্ৰেছৰ সাংসদ প্ৰমোদ

তিৱাৰী, জয়ৰাম ৰমেশকে ধৰি অন্যান্যসকলে সৰ্বদলীয় বৈঠকত অংশগ্ৰহণ কৰে। সংসদৰ শীতকালীন অধিৱেশন ২০ ডিচেম্বৰত অধিৱেশনৰ অন্ত পৰিব। অৱশ্যে সংবিধান দিৱসৰ সৈতে সংগতি ৰাখি অহা ২৬ নৱেম্বৰত সংসদৰ কাম-কাজ বন্ধ থাকিব।

০০০০০০

গোৱাত অনুষ্ঠিত ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত আজি ৰাজেশ ভূঞাই পৰিচালনা কৰা স্বৰ্গৰথ ছবিখন প্ৰদৰ্শিত হয়। ভাৰতীয় পেনোৰামাৰে নিৰ্বাচিত ছবিখনে দেশ-বিদেশৰ বহু দৰ্শকৰ বিপুল সমাদৰ লাভ কৰে। উল্লেখযোগ্য যে বিগত ২৫ বছৰত এই মহোৎসৱৰ মূল শাখাত স্থান লাভ কৰা স্বৰ্গৰথ হৈছে প্ৰথম অসমীয়া চলচ্চিত্ৰ। ইয়াৰ আগেয়ে ১৯৯৯ চনত অশোক কুমাৰ বিষয়াই পৰিচালনা কৰা যৌৱনে আমনি কৰে চলচ্চিত্ৰ খন এই মহোৎসৱৰ মূল শাখালৈ বাছনি লাভ কৰিছিল। কালি ড০ ববী শৰ্মা বৰুৱাই পৰিচালনা কৰা ৰ'দৰ পাখি শীৰ্ষক ছবিখন প্ৰদৰ্শন কৰা হয়। বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ প্ৰতি সংবেদনশীলতাৰে নিৰ্মাণ কৰা এই ছবিখনে ভাৰতীয় পেন'ৰামাত প্ৰদৰ্শন কৰা হয়। দেশ-বিদেশৰ চলচ্চিত্ৰ প্ৰেমী সমাৱেশ ঘটা এইবাৰৰ মহোৎসৱত ভাৰতীয় চলচ্চিত্ৰ জগতৰ মহীৰুহ ৰাজকাপুৰ, তপন সিংহ, মহম্মদ ৰফী আৰু আক্কিনেনি নাগেছ্ৰ ৰাওৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। আজি কলা একাডেমীত আয়োজিত এটা অনুষ্ঠানত ৰাজকাপুৰৰ কমৰাজি প্ৰদৰ্শন কৰা হয়। এই অনুষ্ঠানত ৰাজকাপুৰৰ নাতি তথা জনপ্ৰিয় অভিনেতা ৰণবীৰ কাপুৰে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে এই চলচ্চিত্ৰ মহোৎসৱৰ মূল শাখাত এইবাৰ মুঠ ২৭০খন ছবি প্ৰদৰ্শন কৰিবলৈ লোৱা হৈছে। বিভিন্ন শিতানত এইবাৰ প্ৰায় ৪০০ খন ছবি প্ৰদৰ্শিত হ'ব। ইয়াৰ ভিতৰত বিশ্বৰ ৮১খন দেশক প্ৰতিনিধিত্ব কৰা ১৮০খন বিদেশী ছবি আছে। এইবাৰৰ মহোৎসৱত অষ্ট্ৰেলিয়াক মূল দেশৰূপে স্বীকৃতি দিয়া হৈছে আৰু অষ্ট্ৰেলিয়াৰ ছবি নিৰ্মাতা মাৰ্কেল গ্ৰেচিৰ ছবি দ্যা বেটাৰমেনৰ প্ৰদৰ্শনৰে এইবাৰৰ মহোৎসৱৰ শুভাৰম্ভ কৰা হয়।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

চৌদি আৰবৰ জেদ্দাত দুদিনীয়াকৈ অনুষ্ঠিত আই পি এলৰ খেলুৱৈ নিলামৰ আজি প্ৰথম দিনা ভাৰতৰ উইকেটৰক্ষক বেটাৰ ঋষভ পণ্ট সবাতোকৈ দামী খেলুৱৈ হিচাপে পৰিগণিত হয়। লক্ষ্ণৌ ছুপাৰ জায়েণ্টে তাৰকা ক্ৰিকেটাৰজনক অভিলেখ ২৭ কোটি টকাত ক্ৰয় কৰে। ইয়াৰ পাছতে ভাৰতৰ আন এজন তাৰকা বেটাৰ শ্ৰেয়াছ আয়াৰে সৰ্বাধিক দৰ লাভ কৰে। পঞ্জাৱ কিংছে মিডিল অৰ্ডাৰ বেটাৰ আয়াৰক ২৬ কোটি ৭৫ লাখ টকাত ক্ৰয় কৰে। দিল্লী কেপিটেলছে কে এল ৰাহুলক ১৪ কোটি আৰু গুজৰাট টাইটানছে বেগী বলাৰ মহম্মদ চিৰাজক ১২ কোটি ২৫ লাখ টকাত ক্ৰয় কৰে। ভাৰতৰ আন এজন বেগী বলাৰ অৰ্শদ্বীপ সিঙক পঞ্জাৱ কিংছে ১৮ কোটি টকাত ক্ৰয় কৰে। বিদেশী খেলুৱৈ হিচাপে এই পৰ্যন্ত ইংলেণ্ডৰ জছ বাটলাৰে সৰ্বাধিক দৰ লাভ কৰিছে। গুজৰাট টাইটানছে বাটলাৰক ১৫ কোটি ৭৫ লাখ টকাত ক্ৰয় কৰে। সেইদৰে অষ্ট্ৰেলিয়াৰ বেগী বলাৰ মিচ্চেল ষ্টাৰ্কক দিল্লী কেপিটেলছে ১১ কোটি ৭৫ লাখ টকাত ক্ৰয় কৰে।

০০০০০০

অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাৰ্থত অনুষ্ঠিত শৃংখলাৰ প্ৰথম টেষ্টত ভাৰতৰ জয়ৰ সম্ভাৱনা সজীৱ হৈ উঠিছে। খেলখনত আজি তৃতীয় দিনা অষ্ট্ৰেলিয়াই দ্বিতীয় ইনিংছত জয়ৰ বাবে ৫৩৪ ৰাণৰ লক্ষ্যৰে খেলি দিনান্তত তিনিটা উইকেটৰ বিনিময়ত ১২ ৰাণ স ংগ্ৰহ কৰিছে। সম্পূৰ্ণ দুটা দিনৰ খেল বাকী থকা অৱস্থাত ঘৰুৱা দলটোক জয়ৰ বাবে এতিয়াও ৫২২ ৰাণৰ প্ৰয়োজন। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই দুটা আৰু মহম্মদ চিৰাজে আনটো উইকেট দখল কৰে। উল্লেখযোগ্য যে ভাৰতে আজি ৬ উইকেটত ৪৮৭ ৰাণ কৰি দ্বিতীয় ইনিংছ ঘোষণা কৰে। ভাৰতৰ ইনিংছত অপেনাৰ যশস্বী জয়ছৱাল আৰু বিৰাট কোহলীয়ে অনবদ্য শতক অৰ্জন কৰে। জয়ছৱাল ১৬১ ৰাণত আউট হ'লেও কোহলী ১০০ ৰাণত অপৰাজিত হৈ ৰয়। অষ্ট্ৰেলিয়াৰ মাটিত জয়ছৱালে খেলুৱৈ জীৱনৰ প্ৰথমটো টেষ্ট শতক অৰ্জন কৰিবলৈ সমৰ্থ হয়। আগদিনাৰ অপৰাজিত বেটাৰ কে এল ৰাহুলে ৭৭, নিতীশ কুমাৰ ৰেড্ডীয়ে ৩৮ আৰু ৱাশ্বিংটন সুন্দৰে ২৯ ৰাণৰ বৰঙণি আগবঢ়ায়।

০০০০০০

গুৱাহাটীত প্ৰথমবাৰৰ বাবে অহা ২৭ নৱেম্বৰৰ পৰা ২৯ নৱেম্বৰলৈ উত্তৰ-পূব পেৰা গেমছ অনুষ্ঠিত হ'ব। এই ক্ৰীড়া সমাৰোহত উত্তৰ-পূবৰ দিব্যাংগ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। এই সমাৰোহত পেৰা এথলেটিকছ, পেৰা ছুইমিং, পেৰা বেডমিণ্টন আৰু পেৰা টেবুল টেনিছ অনুষ্ঠিত হ'ব। পেৰা এথলেটিকছত ১০০ মিটাৰ, ১৫০০ মিটাৰ দৌৰৰ লগতে শ্বটপুট, ডিছকাছ থ্ৰো আৰু লং জাম্প অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে, পেৰা ছুইমিঙত ৫০ মিটাৰ আৰু ১০০ মিটাৰ ফ্ৰীষ্টাইল, ৫০ মিটাৰ আৰু ১০০ মিটাৰ বেকষ্ট্ৰোকৰ লগতে ৫০ আৰু ১০০ মিটাৰ ব্ৰেষ্টষ্ট্ৰোক অন্তৰ্ভুক্ত কৰা হৈছে। ১০০ মিটাৰ বাটাৰ ফ্লাই আৰু ৪ ইণ্টু ১০০ মিটাৰ ফ্ৰীষ্টাইল ৰিলেও পেৰা ছুইমিঙত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০

নগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত আজিৰে পৰা স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত অম্লান গোষ্ঠী দলে হালোৱাটিং ইউনাইটেড ফুটবল ক্লাবক ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। নগাঁৱৰ বিধায়ক তথা নগাঁও ক্ৰীড়া সন্থাৰ সভাপতি ৰূপক শৰ্মাই প্ৰতিযোগিতাখন উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত ভাৰতীয় ফুটবল দলৰ প্ৰাক্তন গ'লৰক্ষক ভাস্কৰ গাংগুলী, প্ৰাক্তন ফুটবলাৰ ছাবিবৰ আলী উপস্থিত থাকে। অহা ৮ ডিচেম্বৰত সামৰণি পৰিবলগীয়া এইবাৰৰ প্ৰতিযোগিতাখনত মুঠ ১৬টা দলে অংশগ্ৰহণ কৰিছে।

০০০০০০

আৰক্ষীৰ প্ৰাক্তন সঞ্চালক প্ৰধান নিশিনাথ চাংকাকতিৰ আজি ৯০ বছৰ বয়সত মৃত্যু হয়। গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হোৱা চাংকাকতিয়ে ১৯৮৮ চনত অসমৰ আৰক্ষী সঞ্চালক প্ৰধান হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৮৬ চনত উৎকৃষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতি পদক লাভ কৰা চাংকাকতিৰ মৃত্যুত আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে শোক প্ৰকাশ কৰে। চাংকাকতিৰ মৃত্যুত অসম আৰক্ষীৰ পতাকা অৰ্দ্ধনমিত কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে। উল্লেখযোগ্য যে সদ্যপ্ৰয়াত চাংকাকতি লেখক হিচাপেও প্ৰখ্যাত আছিল।

০০০০০০

সমাপ্ত